**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-04-2026 **Time :** 1100 Hrs.

ৰাজ্যৰ ১২৬টা বিধানসভা **সমষ্টিৰ** বাবে একেটা পৰ্যায়ত আজি পুৱা ৭ বজাৰ পৰা শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ চলি আছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি পুৱা ৯ বজালৈ সামগ্ৰিক ভোটদানৰ হাৰ ১৭ দশমিক ৮-৭ শতাংশ। নিচেই পুৱাৰে পৰা ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ বাহিৰত ভোটদাতাৰ দীঘলীয়া শাৰী পৰিলক্ষিত হৈছে। ঠাই বিশেষে প্ৰতিকুল বতৰকো নেওচি নাগৰিকসকল ভোটদানৰ বাবে ওলাই অহা বুলি আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাসকলে জানিবলৈ দিছে। নলবাৰী জিলাত পুৱা ৯ বজালৈ প্ৰায় ১৬ শতাংশ ভোটদান হয় বুলি জিলা নিৰ্বাচনী বিষয়াৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনাইছে। **কামৰূপ মহানগৰ** জিলাত চাৰিটা সমষ্টিত ৯ বজালৈ সামগ্ৰিকভাৱে প্ৰায় ১৫ দশমিক ৫ -৬ শতাংশ ভোটদান হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে। **ডিব্ৰুগড়** জিলাৰ ছটা বিধানসভা সমষ্টিত পুৱা ৯ বজালৈ ১৭ দশমিক ৮ - ৮ শতাংশ ভোটদান হোৱা বুলি নিৰ্বাচন বিভাগে প্ৰকাশ কৰিছে। **ধেমাজি** জিলাৰ তিনিটা সমষ্টিত চাৰে ৯ বজা পৰ্যন্ত ১৭ শতাংশৰো অধিক ভোটদান হৈছে। **দৰং** জিলাৰ তিনিটা সমষ্টিত প্ৰায় ২০ শতাংশলৈ ভোটদান হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। **মৰিগাঁৱতো** ৯ বজালৈকে ১৯ দশমিক ৯ - ৬ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। **যোৰহাট** জিলাত চাৰে ৯ বজা পৰ্যন্ত চাৰিটা সমষ্টিত ১৮ দশমিক ৯ - ৯ শতাংশ ভোটদানৰ তথ্য পোৱা গৈছে। একেদৰে চিৰাং জিলাৰ তিনিটা সমষ্টিত ১৮ শতাংশৰো অধিক ভোটদান হোৱাৰ তথ্য লাভ কৰা হৈছে। **মাজুলী** সমষ্টিৰ অন্তৰ্গত ১৮৮ টা ভোটগ্ৰহণ কেন্দ্ৰত পুৱা ৯ বজালৈ ২০ শতাংশৰো অধিক ভোটদান হৈছে। **নগাঁও** জিলাৰ ছটা বিধানসভা সমষ্টিত ১৭ দশমিক ৬ - ২ শতাংশ ভোটদান হোৱাৰ বাতৰি আহিছে।

**দিছপুৰ** সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ আৰু মধ্য গুৱাহাটীৰ বিজেপি প্ৰাৰ্থী বিজয় গুপ্তাই পুৱাতে ভোটৰ অধিকাৰ সাব্যস্ত কৰে। কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই যোৰহাটৰ জেইল ৰোড ক্লাবত ভোটদান কৰে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বঢ়মপুৰ সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰাজেন গোহাঁইয়ে আজি নগাঁও চহৰৰ দচন উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ ভোটকেন্দ্ৰত ভোটদান কৰে। গোলাঘাটত বিজেপিৰ প্ৰাৰ্থী তথা মন্ত্ৰী অজন্তা নেওগে ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। নগাঁও জিলাৰ কলিয়াবৰ সমষ্টিৰ ৯৯ নম্বৰ অংগনৱাড়ী ভোটগ্ৰহণ কেন্দ্ৰত অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তই ভোটদান কৰে। নলবাৰীৰ ছানকুছি হাইস্কুলৰ ভোটকেন্দ্ৰত বিজেপি প্ৰাৰ্থী জয়ন্ত মল্লবৰুৱাই আৰু যোৰহাটত বিজেপি প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীয়ে ভোটদান কৰে। খোৱাঙত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে ভোটদান কৰে।

চিৰাং জিলাত বিজনী বিধানসভা সমষ্টিৰ ইউ পি পি এলৰ প্ৰাৰ্থী কমলসিং নাৰ্জাৰীয়ে আজি বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় ভোটকেন্দ্ৰত ভোটদান কৰে।

**পশ্চিম কাৰ্বি আংলং** জিলাৰ আম্ৰি বিধানসভা সমষ্টিৰ বাছাপ' প্ৰাথমিক বিদ্যালয়ত বিজেপি প্ৰাৰ্থী ডাঃ হাবে টেৰাণে ভোটদান কৰে। **শিৱসাগৰ** সমষ্টিৰ বিধায়ক তথা সমষ্টিটোৰ ৰাইজৰ দলৰ প্ৰাৰ্থী অখিল গগৈয়ে আজি লখিমী নগৰ প্ৰাথমিক বিদ্যালয়ত ভোটদান কৰে। বিজেপিৰ বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাৰ্থী নাৰায়ণ ডেকাই আজি মুকালমুৱাত পুৱাতে ভোটদান কৰে। চিৰাং জিলাত চিদলী চিৰাং বিধানসভা সমষ্টিৰ প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰীয়ে বেংতল বিক্ৰমপুৰ প্ৰাথমিক বিদ্যালয়ত ভোটৰ অধিকাৰ সাব্যস্ত কৰে।

**ধেমাজি** জিলাৰ ধেমাজি, চিচিবৰগাঁও আৰু জোনাই বিধানসভা সমষ্টিত পুৱা ৭ বজাৰ পৰা ভোটদান প্ৰক্ৰিয়া চলি আছে। ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাই জনোৱা মতে ধেমাজিৰ পশ্চিম গোগামুখ এম ই স্কুলৰ ভোটগ্ৰহণ কেন্দ্ৰত পুৱাই ধেমাজিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ডাঃ ৰণোজ পেগুৱে ভোটদান কৰে।

**শিৱসাগৰ**ৰ ডিমৌ শিৱসাগৰ আৰু নাজিৰাৰ মুঠ ৭৪৮টা ভোটকেন্দ্ৰত পুৱাৰে পৰা শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ চলি থকা বুলি আমাৰ সংবাদদাতাই জনাইছে।

**নগাঁৱতো** পুৱাৰে পৰা ভোটদান প্ৰক্ৰিয়া চলি আছে। প্ৰাক্তন মন্ত্ৰী, সাংসদ বিজেপিৰ প্ৰদ্যুৎ বৰদলৈয়ে বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰঘাটৰ মৰিকলং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰে।

**কাৰ্বি আংলং** জিলাৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰতো পুৱাৰে পৰা ভোটদান প্ৰক্ৰিয়া চলি আছে। হাওৰাঘাট সমষ্টিৰ অন্তৰ্গত বৰগঙ্গা চৰকাৰী প্ৰাথমিক বিদ্যালয়ত ভোটগ্ৰহণ কেন্দ্ৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী লুনছিং টেৰণে পুৱাই ভোটদান কৰে।

**গোলাঘাট** জিলাতো পুৱাৰে পৰা ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে চলি আছে। জিলাখনৰ খুমটাই সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰাৰ্থী মৃণাল শইকীয়াই পুৱাই ভোটদান কৰে।

০০০০০০০

কেৰালাম আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীত আজি বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। কেৰালামৰ ১৪০টা আৰু পুডুচেৰীত ৩০টা সমষ্টিৰ বাবে একেটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হৈছে। পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈছে আৰু সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। নিৰ্বাচন আয়োগে এই ভোটগ্ৰহণ মুক্ত, নিকা আৰু শান্তিপূৰ্ণ কৰি তুলিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

কেৰালামৰ ১৪০টা সমষ্টিৰ বাবে ৮৮৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৰাজ্যখনৰ ২ কোটি ৭১ লাখ ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ৰাজ্যখনত ৩০ হাজাৰ ৩৯৫টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ২ হেজাৰ ৪০টা স্পৰ্শকাতৰ হিচাপে চিহ্নিত হৈছে। নিৰ্বাচনৰ বাবে ৰাজ্যখনত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে আৰু ৭৬ হাজাৰৰো অধিক নিৰাপত্তা কৰ্মী নিয়োগ কৰা হৈছে। ৰাজ্যখনত আজি ভোটগ্ৰহণৰ বাবে ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰা হৈছে।

পুডুচেৰীৰ ৩০টা বিধানসভা সমষ্টিত ২৯৪ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৯ লাখ ৫০ হাজাৰ ৬৩৯ গৰাকী ভোটদাতাই কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ এহেজাৰ ৯৯টা ভোটকেন্দ্ৰত ভোটদানৰ সুযোগ লাভ কৰিছে। ভোটদাতাসকলৰ ভিতৰত ২৪ হাজাৰ ৯১৯ গৰাকীয়ে প্ৰথমবাৰৰ বাবে ভোটদানৰ সুযোগ লাভ কৰিছে। ভোটকেন্দ্ৰসমূহৰ ২০৯টা স্পৰ্শকাতৰ আৰু ৫টা জটিল বুলি চিনাক্ত কৰা হৈছে। ৩০টা ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা, ১৫টা যুৱ প্ৰজন্মৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা আৰু দুটা বিশেষভাৱে সক্ষমভাৱে লোকে পৰিচালনা কৰিছে। কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ সংস্কৃতি আৰু ঐতিহ্য প্ৰতিফলিত কৰিব পৰাকৈও ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। পুডুচেৰীত মাইক্ৰ' অবজাৰ্ভাৰ আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে।

ইপিনে তামিলনাডুত একেটা পৰ্যায়ত হ'বলগীয়া আৰু পশ্চিমবংগত প্ৰথম পৰ্যায়ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। পশ্চিমবংগত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰো আজি অন্তিম দিন। ৪খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব।

০০০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত

১০ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল কাইলৈ পুৱা ঘোষণা কৰা হব।

ফলাফলসমূহ sebaonline.org, resultassam.nic.in, asseb.in আদি ৱেবছাইটত উপলব্ধ হব। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱেও আজি ধেমাজিত এই বিষয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত  মুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

০০০০০০০

সমাপ্ত